

নৱম শ্ৰেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

ইতিহাস

পাঠ - ৪

মানৰ অসম আক্ৰমণ

অংশ – ৫

অনামিকা দাস

৫। বদনচন্দ্ৰ বৰফুকনৰ নেতৃত্বত অসমত মানৰ ৰাজনৈতিক হস্তক্ষেপ সম্পৰ্কে চমুকৈ আলোচনা কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। বদনচন্দ্র বৰফুকনৰ নেতৃত্বত অসমত মানৰ ৰাজনৈতিক হস্তক্ষেপ সম্পর্কে চমুকৈ আলোচনা কৰা।

উত্তৰঃ বদন বৰফুকনে বদৌপায়াৰ সহায় লৈ ৮০০০ মান সেনা আৰু বাটত মানৰ কৰতলীয়া ৰজা কেইজনমানৰ পৰা আঠ হেজাৰ; মুঠ ১৬,০০০ সৈন্য লৈ পাটকাই পথেদি অসম সোমাল। মানৰ আক্রমণ ৰোধ কৰিবলৈ পূর্ণানন্দ বুঢ়াগোহাঁয়ে দামান গগৈ আৰু হাও বৰাৰ নেতৃত্বত এটি সৈন্য বাহিনী প্রেৰণ কৰিছিল। কিন্তু বদনৰ নেতৃত্বত অহা মান সেনাৰ হাতত তেওঁলোক ঘিলাধাৰীৰ যুদ্ধত পৰাজিত হয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ঘিলাধাৰীত পূর্ণানন্দই পঠিওৱা সেনা বাহিনীৰ পৰাজয়ৰ বাতৰি পায়েই তেওঁ মৃত্যুমুখত পৰে। তেওঁৰ পুত্ৰ ৰুচিনাথক বুঢ়াগোহাঁইৰ পদত অধিষ্ঠিত কৰা হয়। ৰুচিনাথৰ গাত দেউতাকৰ গুণ নাছিল। এই চৰম বিপর্যয়ৰ দিনত আহোমক নেতৃত্ব দিব পৰা আন কোনো বিষয়াও নাছিল। মানসকলক ভেটা দিবলৈ ঠিক কৰা হ'ল। সৈন্য যোগাৰ কৰি দিহিঙৰ পূবে কঠালবাৰীত তেওঁলোকে মানৰ লগত যুঁজ দিয়ে আৰু এইবাৰো পৰাজিত হয়।

মানসকলে যোৰহাট আধিকাৰ কৰিলে। বদনে যথাবিহিতভৱে নিজকে বৰফুকন বুলি ঘোষণা কৰিলে। নামত চন্দ্রকান্ত ৰজা হৈ থাকিল।

এইবাৰ সকলো ক্ষমতা বদনে নিজৰ হাতলৈ নিলে। নুমলী ৰাজমাওয়ে বিস্তৰ আয়োজন কৰি ৰাজধানীত বদনক আদৰিছিল।

মানসকল অতি কম সময়হে আহোম ৰাজ্যত আছিল। মানে চন্দ্রকান্তক ৰজা ৰাখিলে আৰু বদনচন্দ্রই তেতিয়া মানসেনাক অনেক ধন-সোণ আৰু অন্যান্য উপঢৌকন আগবঢ়াই মান ৰজালৈ থেমো আইদেউক উপহাৰ হিচাপে পঠালে।

৬। মানৰ অসম আক্রমণৰ কাৰণসমূহ আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। মানৰ অসম আক্রমণৰ কাৰণসমূহ আলোচনা কৰা।

উত্তৰঃ মানৰ অসম আক্রমণৰ কাৰণ সমূহ তলত উল্লেখ কৰা হ'লঃ

১) পূর্ণানন্দ বুঢ়াগোহাঁইৰ প্রাধান্যঃ পূর্ণানন্দ বৰগোহাঁইৰ জীৱিতকালত প্রশাসনৰ সকলো কথাতে তেওঁৰ প্রতিপত্তি সাব্যস্ত হৈছিল। পূর্ণানন্দৰ স্বেচ্ছাচাৰী, দাম্ভিক স্বভাৱৰ বাবে দেশৰ লোকে তেওঁক ভালপোৱা নাছিল। সুদীর্ঘ কাল বুঢ়াগোহাঁয়ে শাসনযন্ত্র কঠোৰ হাতেৰে নিয়ন্ত্রণ কৰাত ৰাজ্যৰ কিছুমান বিষয়াই ভাল পোৱা নাছিল।

ক্ষমতা লাভৰ এবছৰৰ ভিতৰতে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ মৃত্যু হৈছিল। পূর্ণানন্দই স্বৰ্গদেৱৰ মৃত্যুৰ সংবাদটো গোপনে ৰাখিছিল আৰু কৌশলেৰে কম বয়সীয়া কমলেশ্বৰ সিংহক অসমৰ নতুন ৰজা হিচাপে নিযুক্তি দিছিল। কোমল বয়সীয়া ৰজাজনে বুঢ়াগোহাঁইৰ হাতৰ পুতলা হিচাপেহে কাম কৰিছিল। ১৮১০ চনত কমলেশ্বৰ সিংহৰ মৃত্যুৰ পিছত পূর্ণানন্দই চন্দ্রকান্ত সিংহ নামে কণমাণি ল'ৰা এজনক আহোম ৰাজপাটত বহুৱায়। পূর্ণানন্দৰ স্বেচ্ছাচাৰী শাসন দেশৰ লোকে ভালপোৱা নাছিল। ফলত তেওঁক শাসনৰ পৰা আঁতৰাবলৈ ষড়যন্ত্র চলিছিল।

দেশৰ ভালেমান মুখিয়াল লোক আৰু ডাঙৰীয়াই কমলেশ্বৰ সিংহৰ ৰাজত্বকালত এটা বিদ্রোহ সংগঠিত কৰিছিল। পানীমুৱা নামৰ এজন বিদ্রোহীয়ে এই বিদ্রোহৰ নেতৃত্ব দিছিল। এই বিদ্রোহ কঠোৰ হাতেৰে দমন কৰা হৈছিল।

আহোম ৰজা চন্দ্রকান্ত সিংহ ক্রমে সাবালক হৈ অহাৰ লগে লগে বুঢ়াগোহাঁইক ভাল নোপোৱা হৈছিল। সৎৰাম নামে যুৱক এজনৰ সৈতে তেওঁৰ বৰ বন্ধুত্ব হৈছিল। তেওঁ সৎৰামক চাৰিঙিয়া ফুকন খিতাপ দি ৰজাৰ ওচৰতে বহিবলৈ আসন দিছিল। সৎৰামৰ ভেম দিনে দিনে বাঢ়ি গৈছিল আৰু তেওঁ কাকো নমনা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

সকলো ক্ষমতা নিজৰ হাতলৈ নিবৰ কাৰণে বুঢ়াগোহাঁইক হত্যা কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু আন ষড়যন্ত্ৰৰ দৰে এইবাৰো গোপন তথ্য ফাদিল হৈ পৰিল আৰু সকলো জগৰীয়া ষড়যন্ত্ৰকাৰীক ফাঁচী দিয়া হ'ল।

২) বদন বৰফুকন আৰু পূৰ্ণানন্দৰ বিৰোধঃ দন্দুৱাদ্রোহত বদনচন্দ্ৰ বৰফুকন জড়িত থকাৰ সন্দেহৰ পিছৰ পৰাই পূৰ্ণানন্দ আৰু বদনৰ সম্পৰ্কৰ অৱনতি ঘটিছিল। তদুপৰি পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে গম পালে যে সৎৰামৰ বিদ্রোহতো বদন বৰফুকন জড়িত হৈ আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পিছে পূর্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক ওৰেষানাথে বদনৰ জীয়ৰী পিজৌ গাভৰুক বিয়া কৰোৱাত বদন-পূর্ণানন্দৰ মাজৰ সম্পর্কত উন্নতি ঘটে। ধনলোভী বদনে কামাখ্যা, হাজো আদি মন্দিৰৰ সোণ-ৰূপ আত্মসাৎ কৰিছিল বুলি জনা যায়। ইয়াৰ উপৰি বদনে গুৱাহাটীৰ প্রজাবর্গৰ ওচৰত কৰা অত্যাচাৰৰ ফলত সাধাৰণ লোকৰ জীৱন দুর্বিষহ হৈ পৰিছিল। বুঢ়াগোহাঁয়ে স্বাস্থ্য হানিকৰ কানিৰ প্রচলন বন্ধ কৰিবলৈ নির্দেশ দিছিল। বৰফুকনে সেই আদেশ পালন নকৰাত বুঢ়াগোহাঁই বাৰুকৈয়ে অসন্তুষ্ট হ'ল। এনেকৈয়ে বুঢ়াগোহাঁই আৰু বৰফুকনৰ মাজৰ বিদ্বেষ বাঢ়ি গ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অৱশেষত বদনৰ অত্যাচাৰে চৰম সীমা পোৱাত বুঢ়াগোহাঁয়ে তেওঁক পদচ্যুত কৰাৰ সিদ্ধান্ত ল'লে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে বদনচন্দ্রই নিজৰ আৰু ৰজা চন্দ্রকান্তৰ সমৰ্থনত ব্রিটিছৰ সাময়িক সাহায্য বিচাৰে। ব্রিটিছ গৱর্ণৰ জেনেৰেলৰ ওচৰত সামৰিক সাহায্য বিচাৰি কৰা আবেদনৰ সমৰ্থনত আহোম ৰজা চন্দকান্তেই দিয়া দুখন চিঠিও দাখিল কৰে। অন্য ৰাজ্যৰ আভ্যন্তৰীণ বিবাদত হস্তক্ষেপ নকৰে বুলি তেওঁ উত্তৰ দিলে। ব্রিটিছ চৰকাৰে পূৰ্ণানন্দৰ কৰ্তব্যনিষ্ঠাৰ বিষয়ে জানিছিল আৰু সেয়ে তেওঁৰ বিৰুদ্ধে বদনক সহায় কৰিবলৈ সন্মত নহ'ল।

৩) মানৰ হস্তক্ষেপঃ ইতিমধ্যে বদন বৰফুকনে কলিকতাত থকা ব্ৰহ্মদেশৰ প্ৰতিনিধিজনক লগ ধৰিলে। ব্ৰিটিছৰ পৰা সহায়ৰ কোনো আশা নেদেখি বদনে এই প্ৰতিনিধিজনৰ সৈতে ব্ৰহ্মদেশ লৈ গৈ মান ৰজাক সাক্ষাৎ কৰিলে। কেইবাটাও কাৰণত মান ৰজাই বদনক সহায় কৰিবলৈ সন্মত হ'ল। মান ৰজা আলং পায়াৰ দিনৰে পৰা ব্ৰহ্মদেশে ৰাজ্য সম্প্ৰসাৰণৰ বাবে অধিক যত্নপৰ হৈছিল। তেওঁৰ ৰাজ্যৰ পশ্চিমফালে ৰাজ্য বিস্তাৰ নীতি গ্ৰহণ কৰিছিল। মান ৰজাই পশ্চিম দিশে সম্প্ৰসাৰণ আঁচনি লৈ ব্ৰিটিছৰ বিৰুদ্ধে অসমক

প্ৰধান সৈন্য শিবিৰ হিচাপে ব্যৱহাৰ কৰিব বিচাৰিছিল। মান ৰজা বদৌপায়াৰ আমোলত মান সেনাই আৰাকান জয় কৰি দখল কৰাৰ লগে লগে মান ৰজাই মাৰগুই দ্বীপপুঞ্জৰ পৰা চট্টগ্ৰাম বন্দৰলৈ সমগ্ৰ বঙ্গোপসাগৰীয় উপকূল ৰেখাৰ প্ৰধান ৰাজনৈতিক শক্তিত পৰিণত হয়। প্ৰায় চল্লিছ হেজাৰ আৰাকানী লোক ব্ৰহ্মদেশৰ কঠোৰ শাসন আৰু শোষণত অতিষ্ঠ হৈ ইংৰাজ অধিকৃত বঙ্গদেশত আশ্ৰয় লৈছিল। এই শৰণাৰ্থীসকলক ব্ৰহ্মৰজা বদৌপায়াই ওভতাই পঠাবৰ বাবে ইংৰাজ চৰকাৰক হেঁচা দিছিল।

কিন্তু ব্রিটিছ চৰকাৰ মান্তি নোহোৱাত শৰণার্থীসকলক লৈ মান আৰু ইংৰাজৰ মাজত মনোমালিন্যই দেখা দিছিল।

এনে সময়ত বদনচন্দ্রই চন্দ্রকান্তৰ হৈ সহায় বিচৰাত মান ৰজাই ভালেই পালে। অৱশ্যে তেওঁ সদ্যহতে পোনপটিয়াকৈ অসম জয় কৰাৰ কথা নাভাবি পূর্ণানন্দৰ বিৰুদ্ধে বদনক সামৰিক সাহায্য দিয়াৰ সিদ্ধান্ত ল'লে। সম্ভৱত তেওঁ প্রত্যক্ষ আক্রমণৰ বাবে অধিক সুবিধাজনক সময়লৈ বাট চালে। মান ৰজাৰ অসমীয়া ৰাণী ৰঙ্গিলী আইদেউ বদন চন্দ্রৰ পেহীয়েক আছিল। তেওঁ বদনক সহায় কৰিবলৈ মান ৰজাক অনুৰোধ কৰিছিল।

সেয়ে বদনচন্দ্রই মানৰ সহায় লাভ কৰাত সহজ হৈছিল।

ওপৰত উল্লেখ কৰা কাৰণবোৰে আছিল মানৰ অসম আক্রমণৰ কাৰণ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। মানৰ অসম আক্ৰমণৰ পৰিণতিসমূহ ফঁহিয়াই দেখুওৱা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৭। মানৰ অসম আক্ৰমণৰ পৰিণতিসমূহ ফঁহিয়াই দেখুওৱা।

উত্তৰঃ মানৰ অসম আক্ৰমণৰ পৰিণতি সমূহ তলত উল্লেখ কৰা হ'লঃ

১) মানৰ অসম আক্ৰমণে অসমত আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ অৱসানৰ পথ মুকলি কৰি দিছিল ।

২) অহোম স্বৰ্গদেউসকল অস্থায়ীভাৱে হ'লেও ব্ৰহ্মদেশৰ ৰজাৰ তলতীয়া হৈ পৰিছিল।

৩) আহোম ৰজাসকল নামতহে ৰজা হৈ আছিল; তেওঁলোকৰ হাতত যি সামৰিক শক্তিৰ প্ৰয়োজন আছিল সকলোখিনি প্ৰায় শেষ হৈ আহিছিল।

ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল। সিংহাসন প্ৰাপ্তিৰ বাবে চলা আভ্যন্তৰীণ সংঘাতে আহোম ৰাজতন্ত্ৰক দুৰ্বল কৰি পেলাইছিল। উপায় নাইকিয়া হৈ চন্দ্ৰকান্ত সিংহ বঙ্গদেশৰ ব্ৰিটিছ সাম্ৰাজ্যলৈ পলাই গৈছিল। পুৰন্দৰ সিংহয়ো ব্ৰিটিছ ৰাজ্যত আশ্ৰয় লৈ আছিল। দেশৰ ডা-ডাঙৰীয়াসকলে দেশ ৰক্ষা কৰাত সহায় কৰিব নোৱাৰিলে। মানৰ আক্ৰমণে অসমৰ উঁৱলি যোৱা শাসন ব্যৱস্থা নিঃশেষ কৰি পেলালে।

৪) মানৰ আক্ৰমণে অসমৰ অৰ্থনৈতিক অৱস্থা মষিমূৰ কৰিছিল। উৎপন্ন বস্তুৰ পৰিমাণ ভীষণভাৱে কমি গৈছিল, সদাগৰ-বেপাৰীসকলে বেপাৰ-বাণিজ্য বন্ধ কৰিছিল।

মানৰ আক্ৰমণৰ ফলত অসমৰ সামাজিক জীৱন ছিন্ন-ভিন্ন হৈ পৰে। গাওঁবোৰত জনসংখ্যা কমি গৈছিল। বহুতো প্ৰজাই প্ৰাণৰ ভয়ত ঘৰ-বাৰী এৰি পাহাৰে-পৰ্বতে আশ্ৰয় লৈছিল। কিছুমানে দেশ এৰি চুবুৰীয়া ৰাজ্যত আশ্ৰয় গ্ৰহণ কৰিছিল । ইয়াৰ ফলত গাওঁ উছন হৈ আৰু খেতি-বাতি নোহোৱা হৈ ভালেমান ঠাই হাবিলৈ পৰিণত হৈছিল।

সকলোতকৈ তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানিৰ হস্তক্ষেপ। মানসকলে অসম অধিকাৰ কৰা ঘটনাই ব্ৰিটিছসকলক অসমলৈ অগমনৰ সুযোগ দিছিল।

মানসকলে ইতিমধ্যে আৰাকান, মণিপুৰ, আৰু কাছাৰ জয় কৰিছিল আৰু অসম জয়ৰ লগে লগে মানসকল ব্ৰিটিছৰ প্ৰতিদ্বন্দ্বী হিচাপে মূৰ দাঙি উঠে। অসম আৰু ইয়াৰ চুবুৰীয়া অঞ্চলবোৰত মানসকলৰ অস্তিত্বই ব্ৰিটিছসকলৰ শক্তিৰ প্ৰতি ভাবুকিস্বৰূপ হৈ পৰিছিল। মানৰ অগ্ৰগতিক বাধা দিয়াৰ বাবেই ১৮২৪-১৮২৬ চনত প্ৰথম ইঙ্গ বাৰ্মা যুদ্ধ সংঘটিত হৈছিল।

৫) এই যুদ্ধৰ পৰিসমাপ্তি হয় বিখ্যাত ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা। এই চুক্তিৰ পিছত মানসকলে অসম এৰিবলৈ বাধ্য হয় আৰু অসম সম্পূৰ্ণৰূপে ব্ৰিটিছ চৰকাৰৰ অধীনলৈ যায়।

৮। কোনটো বিদ্রোহক 'পানীমুৱা বিদ্রোহ' বুলি কোৱা হয়?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৮। কোনটো বিদ্রোহক 'পানীমুৱা বিদ্রোহ' বুলি কোৱা হয়?

উত্তৰঃ ১৮১০ চনত কমলেশ্বৰ সিংহৰ মৃত্যুৰ পিছত পূর্ণানন্দই চন্দ্রকান্ত সিংহ নামে কণমাণি ল'ৰা এজনক আহোম ৰাজপাটত বহুৱায়। পূর্ণানন্দৰ স্বেচ্ছাচাৰী শাসন দেশৰ লোকে ভাল পোৱা নাছিল। ফলত তেওঁক শাসনৰ পৰা আঁতৰাবলৈ ষড়যন্ত্র কৰিছিল। দেশৰ ভালেমান মুখিয়াল লোক আৰু ডাঙৰীয়াই কমলেশ্বৰ সিংহৰ ৰাজত্বকালত এটা বিদ্রোহ সংগঠিত কৰিছিল।

পানীমুৱা নামৰ এজন বিদ্রোহীয়ে এই বিদ্রোহৰ নেতৃত্ব দিছিল, সেইবাবে এই বিদ্রোহক পানীমুৱা বিদ্রোহ হিচাপে জনাজাত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। ১৮১৭ চনৰ অসমত মানসকলৰ সামৰিক হস্তক্ষেপৰ দুটা ফলাফল উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। **১৮১৭ চনৰ অসমত মানসকলৰ সামৰিক হস্তক্ষেপৰ দুটা ফলাফল উল্লেখ কৰা।**

উত্তৰঃ ১৮১৭ চনৰ অসমত মানসকলে সাময়িক হস্তক্ষেপ দুটা ফলাফল হ'লঃ

ক) পূৰ্ণানন্দৰ স্বেচ্ছাচাৰীতাৰ অৱসান ঘটিল।

খ) চন্দ্রকান্ত সিংহক ৰজা পতা হ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। প্রথম ইংগ-বর্মা যুদ্ধ কেতিয়া সংঘটিত হৈছিল? এই যুদ্ধখন ক'ত সংঘটিত হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। প্ৰথম ইংগ-বৰ্মা যুদ্ধ কেতিয়া সংঘটিত হৈছিল? এই যুদ্ধখন ক'ত সংঘটিত হৈছিল?

উত্তৰঃ প্ৰথম ইঙ্গ-বৰ্মা যুদ্ধ ১৮২৪ খ্ৰীষ্টাব্দৰ ৫ মাৰ্চত সংঘটিত হৈছিল। এই যুদ্ধ খন ব্ৰহ্মপুত্ৰ উপত্যকা, কাছাৰ, মণিপুৰ আৰু ব্ৰহ্মদেশত সংঘটিত হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ইয়াণ্ডাবু সন্ধিৰ উল্লেখযোগ্য ফলাফলসমূহ উল্লেখ কৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ইয়াণ্ডাবু সন্ধিৰ উল্লেখযোগ্য ফলাফলসমূহ উল্লেখ কৰা।

উত্তৰঃ ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখ ইংৰাজ কোম্পানি চৰকাৰ আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজত। এই সন্ধিৰ ফলত ইঙ্গ-বাৰ্মা সংঘৰ্ষৰো অন্ত পৰিল। এই চুক্তি পিছত মানসকলে অসম এৰিবলৈ বাধ্য হয় আৰু অসম সম্পূৰ্ণৰূপে ব্ৰিটিছ চৰকাৰৰ হাতলৈ যায়। এই সন্ধিৰ দ্বিতীয় অনুচ্ছেদ অনুযায়ী আভা ৰজাই অসম, কাছাৰ, জয়ন্তীয়া ৰাজ্যৰ ওপৰত সকলো দাবী ত্যাগ কৰে।

লগতে ভৱিষ্যত লৈও সেইবোৰত কোনো হস্তক্ষেপ নকৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। মান ৰজাই যুদ্ধৰ ক্ষতিপূৰণ ৰূপে কোম্পানীত এক কোটি টকা পৰিশোধ কৰিব। আৰাকাণ, তেনাছেৰিম বৃটিছৰ অধিনষ্ট হয়। গম্ভীৰ সিংহক মানে মণিপুৰৰ ৰজা ৰূপে গ্ৰহণ কৰে। আভাত এজন বৃটিছ প্ৰতিনিধি থাকিব। মান ৰজাক কলিকতাত এজন বিষয়া ৰাখিবলৈ বৃটিছে অনুমতি দিছিল। এইবোৰে আছিল ইয়াণ্ডাবু সন্ধিৰ উল্লেখ যোগ্য ফলাফল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১২। ইয়াণ্ডাবু সন্ধিৰ গুৰুত্ব সম্পৰ্কে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। ইয়াণ্ডাবু সন্ধিৰ গুৰুত্ব সম্পৰ্কে লিখা।

উত্তৰঃ অসমৰ লগতে সমগ্ৰ উত্তৰ - পূৰ্বাঞ্চলৰ বাবে ইয়াণ্ডাবু সন্ধি আছিল অতি গুৰুত্বপূৰ্ণ ৰাজনৈতিক সিদ্ধান্তৰ সন্ধি। এই সন্ধিয়ে অসম বুৰঞ্জীৰ ধাৰা সলনি কৰিছিল। এই সন্ধিৰ চৰ্তসমূহ ব্ৰিটিছৰ অনুকূলে গৈছিল। মানৰ ৰাজত্বৰ ওৰ পেলাই ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে অসমৰ শাসনভাৰ গ্ৰহণ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চমুটোকা —

১। বদৌপায়া



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চমুটোকা —

১। বদৌপায়া

উত্তৰঃ বদৌপায়া আছিল ব্ৰহ্মদেশৰ ৰজা। বদৌপায়াৰ আমোলৰ মান সেনাই আৰাকান জয় কৰি দখল কৰাৰ লগে লগে মান ৰজাই মাৰগুই দীপপুঞ্জৰ পৰা চট্টগ্ৰাম বন্দৰলৈ সমগ্ৰ বঙ্গোপসাগৰীয় উপকূল ৰেখাৰ প্ৰধান ৰাজনৈতিক শক্তিত পৰিণত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। গম্ভীৰ সিং



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। গম্ভীৰ সিং

উত্তৰঃ গম্ভীৰ সিং আছিল মণিপুৰী ৰজা গম্ভীৰ সিং ৰ আক্ৰমণত তিস্তিব নোৱাৰি কাছাৰৰ ৰজা গোবিন্দ সিংহ ইংৰাজৰ শৰণাপন্ন হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। গোবিন্দচন্দ্র



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। গোবিন্দচন্দ্ৰ

উত্তৰঃ গোবিন্দ চন্দ্ৰ কাছাৰৰ ৰজা আছিল। তেওঁ মণিপুৰৰ ৰজা গম্ভীৰ সিংহৰ আক্ৰমণত তিস্তিব নোৱাৰি ইংৰাজৰ শৰণাপন্ন হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৪। দামান গগৈ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। দামান গগৈ

উত্তৰঃ মানৰ আক্ৰমণ ৰোধ কৰিবলৈ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে পঠোৱা আহোম সেনাপতি আছিল দামান গগৈ। এওঁ ঘিলাধাৰীৰ যুদ্ধত মুখ্য সেনাপতি সকলৰ মাজত এজন আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। হাও বৰা



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। হাও বৰা

উত্তৰঃ ঘিলাধাৰী যুদ্ধৰ এজন আহোম সেনাপতি আছিল যাক পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে ঘিলাধাৰী যুদ্ধৰ বাবে মুখ্য সেনাপতি হিচাপে নিয়োগ কৰিছিল।

৬। ঘিলাধাৰীৰ যুদ্ধ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। ঘিলাধাৰীৰ যুদ্ধ

উত্তৰঃ মানৰ আক্ৰমণ ৰোধ কৰিবলৈ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে দামান গগৈ আৰু হাও বৰাৰ নেতৃত্বত এটি সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। কিন্তু বদনৰ নেতৃত্বত অহা মান সেনাৰ হাতত তেওঁলোক ঘিলাধাৰীৰ যুদ্ধত পৰাজিত হয়। ঘিলাধাৰীত পূৰ্ণানন্দই পঠিওৱা সেনা বাহিনীৰ পৰাজয় পায়েই পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে মৃত্যু মুখত পৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ব্রজনাথ




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ব্ৰজনাথ

উত্তৰঃ ব্ৰজনাথ সিংহ ৰজা ৰাজেশ্বৰ সিংহৰ নাতি আৰু পুৰন্দৰ সিংহৰ দেউতাক আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। পুৰন্দৰ সিংহ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। পুৰন্দৰ সিংহ

উত্তৰঃ ব্ৰজনাথ সিংহৰ পুত্ৰ আছিল পুৰন্দৰ সিংহ। ব্ৰজনাথ সিংহৰ অংগক্ষত হোৱা বাবে পুতেক পুৰন্দৰক ৰজা পতা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। লুকু ডেকাফুকন



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। লুকু ডেকাফুকন

উত্তৰঃ চন্দ্রকান্ত সিংহই লুকু ডেকাফুকনৰ নেতৃত্বত ৰুচিনাথৰ বিৰুদ্ধে এটা সৈন্য বাহিনী প্রেৰণ কৰি নিজে ৰংপুৰলৈ আঁতৰি গৈছিল। লুকু ফুকন চন্দ্রকান্ত সিংহই পঠোৱা সৈন্য বাহিনী টোৰ সেনাপতি আছিল। চন্দ্রকান্ত সিংহই প্রেৰণ কৰা উক্ত সেনাবাহিনীটো ৰুচিনাথৰ হাতত পৰাভূত হোৱাৰ লগতে সেনাপতি লুকু ডেকা ফুকন ৰণত নিহত হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। আলুমিংগি



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১০। আলুমিংগি

উত্তৰঃ বদনচন্দ্ৰ বৰফুকনৰ হত্যাৰ পোতক তুলিবলৈ আৰু চন্দ্ৰকান্তক পুনৰ সিংহাসনত বহুৱাবলৈ আলুমিঙ্গৰ নেতৃত্বত ব্ৰহ্ম ৰজাই ১৮১৯ খ্ৰীষ্টাব্দত এটি সৈন্য বাহিনী পঠাই দিয়ে। ৰজা পু�ৰন্দৰ আৰু ৰুচিনাথ বুঢ়াগোহাঁই গুৱাহাটীলৈ পলাই গ'ল। চন্দ্ৰকান্তই পু�ৰন্দৰক ধৰিবলৈ গুৱাহাটীলৈ সৈন্য পঠোৱা বুলি জানি পুৰন্দৰ আৰু ৰুচিনাথে বঙ্গদেশলৈ গৈ ইংৰাজৰ আশ্ৰয় ল'লে। মিঙ্গিমাহা তিলোৱাৰৰ নেতৃত্বত এদল মান সেনা চন্দ্ৰকান্তৰ সহায়ৰ কাৰণে ৰাখি আলুমিঙ্গি ব্ৰহ্মদেশলৈ উভতি যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ইয়াণ্ডাবু সন্ধি



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ইয়াণ্ডাবু সন্ধি

উত্তৰঃ ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু নামে ঠাইত ইংৰাজ কোম্পানি চৰকাৰ আৰু ব্ৰহ্মদেশৰ ৰজাই সন্ধিপত্ৰত স্বাক্ষৰ কৰে। এয়ে আছিল ইয়াণ্ডাবু সন্ধি জৰিয়তে প্ৰথম ইঙ্গ ব্ৰহ্মদেশ যুদ্ধৰ সামৰণি হৈছিল। ইয়াণ্ডাবু সন্ধিৰ চৰ্ত সমূহ আছিলঃ

১) মান ৰজাই যুদ্ধৰ ক্ষতিপুৰণ বাবদ কোম্পানিক এক কোটি টকা পৰিশোধ কৰিব লাগিব।

২) আৰাকান আৰু তেনাছেৰিম প্ৰদেশ ব্ৰিটিছৰ হাতলৈ যাব।

৩) অসম, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যত মানসকলে কোনোধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব ।

৪) মানসকলে মণিপুৰৰ ৰজা গম্ভীৰ সিংহক ৰজা মানিবলৈ গাত লয়।

৫) আভাত এজন ব্রিটিছ ৰেছিডেন্ট থাকিব। মান ৰজাক কলিকতাত এজন বিষয়া ৰাখিবলৈ ব্রিটিছ অনুমতি দিছিল। এইদৰে ইয়াণ্ডাবু সন্ধিৰ চর্তসমূহ ব্রিটিছৰ অনুকূলে গৈছিল। ইয়াণ্ডাবু সন্ধিয়ে অসমত মানৰ দিনৰ ওৰ পেলায়। এই সন্ধিৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে অসমৰ শাসনভাৰ গ্রহণ কৰি ব্রিটিছৰ সাম্রাজ্যৰ পাতনি মেলিছিল।